Total number of printed pages –7

**63/1 (SEM–4) CC9/ASMHC4096**

**2025**

# ASSAMESE

Paper : ASMHC4096

***(Language Varieties)***

*Full Marks : 80*

*Pass Marks : 32*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ *(যিকোনো ছয়টা)* ১×৬=৬

(ক) কোনে ভাৰতত 'হিন্দুস্তানী' নামৰ কৃত্ৰিম ৰাষ্ট্ৰ-ভাষা চলাবলৈ মানস কৰিছিল?

*(i)* সুনীতি কুমাৰ চট্টোপাধ্যায়

*(ii)* গোলোকচন্দ্ৰ গোস্বামী

*(iii)* গোপীনাথ বৰদলৈ

*(iv)* মহাত্মা গান্ধী

(খ) ৰাজ্য ভাষা হৈছে

*(i)* ব্যক্তিৰ ভাষা

*(ii)* অঞ্চল এটাৰ ভাষা

*(iii)* ৰাজ্য এখনৰ ভাষা

*(iv)* ৰাষ্ট্ৰ এখনৰ ভাষা

(গ) 'খাছী ভাষা' কোনটো ভাষা-পৰিয়ালৰ অন্তৰ্গত?

*(i)* চীন-তিব্বতীয়

*(ii)* দ্ৰাবিড়

*(iii)* অষ্ট্ৰিক

*(iv)* ইণ্ডোইউৰোপীয়

(ঘ) 'Assamese : Its Formation and Development' গ্ৰন্থখনৰ লিখক কোন?

*(i)* ড° উপেন্দ্ৰনাথ গোস্বামী

*(ii)* ড° বাণীকান্ত কাকতি

*(iii)* ড° গোলোকচন্দ্ৰ গোস্বামী

*(iv)* ড° ৰমেশ পাঠক



(ঙ) মান্য অসমীয়াৰ 'অলপমান' শব্দৰ পৰিৱৰ্তে কামৰূপী উপভাষাত কি শব্দ ব্যৱহৃত হয়?

*(i)* খানিকমান

*(ii)* কমমান

*(iii)* নাউমান

*(iv)* অকণমান

(চ) আলপিন, আলকাতৰা আদি কি ভাষাৰ শব্দ?

*(i)* পাৰ্চী

*(ii)* আৰবী

*(iii)* ওলন্দাজ

*(iv)* পৰ্তুগীজ

(ছ) গোৱালপৰীয়া উপভাষাৰ 'কশ্‌টা' শব্দৰ অসমীয়া অৰ্থ হ'ল

*(i)* তিতা

*(ii)* টেঙা

*(iii)* মিঠা

*(iv)* কেঁহা

(জ) 'বহুল ব্যাকৰণ'ৰ লিখক কোন?

*(i)* কালিৰাম মেধি

*(ii)* সত্যনাথ বৰা

*(iii)* গোলোকচন্দ্ৰ গোস্বামী

*(iv)* উপেন্দ্ৰনাথ গোস্বামী

(ঝ) কাৰ উক্তিক অসমীয়া ভাষা সম্পৰ্কীয় প্ৰথম উক্তি হিচাপে ধৰা হয়?

*(i)* গ্ৰিয়াৰ্ছন চাহবৰ

*(ii)* সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ

*(iii)* বাণীকান্ত কাকতিৰ

*(iv)* হিউৱেনচাঙৰ

(ঞ) ড° বাণীকান্ত কাকতিয়ে অসমীয়া ভাষাৰ উপভাষাক প্ৰধানতঃ কেইটা ভাগত ভাগ কৰিছে?

*(i)* দুটা

*(ii)* তিনিটা

*(iii)* চাৰিটা

*(iv)* পাঁচটা



২। চমু উত্তৰ দিয়া ঃ *(যিকোনো পাঁচটা)* ২×৫=১০

(ক) *দুটা* সংযোগী ভাষাৰ নাম লিখা।

(খ) মান্যভাষা আৰু উপভাষাৰ মাজত থকা *যিকোনো দুটা* পাৰ্থক্য উল্লেখ কৰা।

(গ) গোৱালপৰীয়া উপভাষাৰ *যিকোনো দুটা* আঞ্চলিক ৰূপৰ নাম লিখা।

(ঘ) অসমীয়া ভাষাৰ বিভক্তিক প্ৰধানতঃ কেইটা আৰু কি কি ভাগত ভাগ কৰা হৈছে লিখা।

(ঙ) ড° ৰমেশ পাঠকে অসমীয়া ভাষাৰ উপভাষাক কেইটা আৰু কি কি ভাগত ভাগ কৰিছে লিখা।

(চ) উপভাষা সৃষ্টিৰ *যিকোনো দুটা* কাৰণ উল্লেখ কৰা।

(ছ) দৃশ্য শ্ৰব্য মাধ্যম আৰু পছ মাধ্যমৰ মাজত থকা *যিকোনো দুটা পাৰ্থক্য* লিখা।

৩। তলৰ *যিকোনো ছয়টা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ৫×৬=৩০

(ক) ব্যক্তি ভাষা আৰু ৰাজ্য ভাষা সম্পৰ্কে এটা চমু টোকা লিখা।

(খ) উপভাষা এটাই কি কি কাৰণত মান্য ভাষাৰূপে স্বীকৃত হয়, চমুকৈ আলোচনা কৰা।

(গ) অসমীয়া ভাষাত অনাৰ্য ভাষাৰ উপাদান সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(ঘ) কামৰূপী উপভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যৰ বিষয়ে সংক্ষেপে লিখা।

(ঙ) গোৱালপৰীয়া উপভাষাৰ 'হাড়গিলা', 'হেতালি', 'আলো', 'আদৰ', 'গোসা' আদি শব্দৰ মান্য অসমীয়া ভাষাৰ ৰূপৰোৰ লিখা।

(চ) প্ৰত্যয় আৰু বিভক্তিৰ মাজত থকা পাৰ্থক্যৰ বিষয়ে আলোচনা কৰা।

(ছ) মান্য অসমীয়া ভাষাৰ 'নেমু টেঙা', 'পইতা-চোৰা', 'পনীয়া', 'গামোচা', 'মধুৰী আম' আদি শব্দৰ কামৰূপী উপভাষাৰ ৰূপবোৰ লিখা।

(জ) গোৱালপৰীয়া উপভাষাত লিঙ্গ পৰিৱৰ্তন কিদৰে কৰা হয় চমুকৈ আলোচনা কৰা।

(ঝ) অসমীয়া ভাষাত অষ্ট্ৰিক ভাষাৰ উপাদান সম্পৰ্কে এটি টোকা যুগুত কৰা।

(ঞ) গোৱালপৰীয়া উপভাষাৰ নাম সম্পৰ্কত পণ্ডিত সকলৰ মতবোৰ উল্লেখ কৰি, যুক্তি সঙ্গত মতটোৰ বিষয়ে আলোচনা কৰা।



৪। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×২=২০

(ক) গোৱালপৰীয়া উপভাষাৰ ধ্বনিগত আৰু ৰূপগত বৈশিষ্ট্যৰ বিষয়ে এটি আলোচনা যুগুত কৰা।

(খ) ভাষা কাক বোলে—এই বিষয়ত পণ্ডিত সকলে আগবঢ়োৱা মতবাদবোৰ উল্লেখ কৰি, এটি সৰ্বসন্মত সংজ্ঞা দাঙি ধৰা।

(গ) অসমৰ আৰ্য-ভিন্ন ভাষাৰে অসমীয়া ভাষাৰ অৱদানৰ বিষয়ে বহলাই আলোচনা কৰা।

(ঘ) কামৰূপী উপভাষা আৰু গোৱালপৰীয়া উপভাষাৰ মাজত থকা মিল-অমিলসমূহ উল্লেখ কৰা।

৫। তলৰ *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১৪

(ক) মান্য অসমীয়া আৰু কামৰূপী উপভাষাৰ মাজত থকা ধ্বনিমূলক, ৰূপাত্মক আৰু শব্দমূলক পাৰ্থক্যবোৰৰ বিষয়ে আলোচনা কৰা।

(খ) অসমীয়া ভাষাৰ শব্দসম্ভাৰ সম্পৰ্কে বিশদভাৱে আলোচনা কৰা।

(গ) দৃশ্য-শ্ৰব্য মাধ্যমত অসমীয়া ভাষাৰ বিভিন্ন উপভাষাৰ প্ৰয়োগৰ বিষয়ে বহলাই আলোচনা কৰা।

---